RNI REGN. No. :
epaper.as
Portal : www
e-mail : asom

# অসম আদিত্য

২৪৯ ■ ২৬ ভাদ, ১৯৪৫ শক ■ বুধবাৰ, ১৩ ছেপ্টেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Wednesday, September 13, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

ণী

ত থিয়
তিয়াহে
পাৰিবা।

বিবেকানন্দ

আমলখি ভিটামিন
পুষ্টিকৰ। ভিটামিন
প্ৰতিৰোধ ক্ষমতা
জ্বৰ আদিৰ দৰে
শৰীৰক শ

## কানৈ মহাবিদ্যালয়ত উচ্চশিক্ষা উপ-সঞ্চালকক সম্বৰ্ধনা




ডিব্ৰুগড়, ১২ ছেপ্টেম্বৰ ঃ 'আমি সদায় সত্যত থাকিব লাগিব, অসত্য কেতিয়াও জীৱন হ'ব নোৱাৰে।'— ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত এক মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি উচ্চশিক্ষা সঞ্চালকালয়, অসমৰ উপ-সঞ্চালক চিন্ময়ী তালুকদাৰে আজি এইদৰে কয়। তেওঁ কয়— সদায় সত্যত থাকি জীৱনটোক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা সভাকক্ষলৈ গায়ন-বায়ন আৰু এনচিচিৰ কেডেটে উষ্ম আদৰণি জনাই অনা অনুষ্ঠানটোত উপ-সঞ্চালক তালুকদাৰে কয়— নেৰানেপেৰা প্ৰচেষ্টাই জীৱনত যিকোনো কামৰ সফলতা আনি দিব পাৰে। পৃথিৱীত কোনো কামেই সহজ নহয়। কিন্তু নেৰানেপেৰা চেষ্টাই সকলো কামেই সহজ কৰি তুলিব পাৰে আৰু জীৱনলৈ সফলতা কঢ়িয়াই আনিব পাৰে। তেওঁ কয়— সকলোৰে সমাজৰ বাবে কিবা এটা কৰাৰ দায়িত্ব থাকে। সেই দায়িত্ব সকলোৰে বেলেগ বেলেগ হয় বুলি মন্তব্য কৰি কয়— এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কি দিব পাৰিছে, এজন প্ৰশাসকে সমাজক কি দিব পাৰিছে সেইটো নিৰ্ভৰ কৰে ব্যক্তিজনৰ সমাজৰ প্ৰতি থকা দায়িত্ব, কৰ্তব্য আৰু নিষ্ঠাৰ ওপৰত। পোন প্ৰথমবাৰৰ বাবে ডিএইচএছ কানৈ মহাবিদ্যালয়ত উপস্থিত হোৱা উপ-সঞ্চালকগৰাকীক মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা প্ৰদান কৰা সম্বৰ্ধনা-পত্ৰ, স্মাৰক আৰু কিতাপৰ টোপোলা গ্ৰহণ কৰি সঞ্চালকগৰাকীয়ে কয়— কানৈ মহাবিদ্যালয়ে গায়ন-বায়ন, এনচিচিৰ কেডেটে উষ্ম আদৰণি জনাই এনে এক সম্বৰ্ধনা জনোৱাটো মোৰ জীৱনৰ মানসপটত চিৰদিন স্মৃতি হৈ থাকিব। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড০ মনমী বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। ছাত্ৰী ডেইজী দিহিঙীয়াৰ এটা সুন্দৰ গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালী, শৈক্ষিক সমন্বয়ক ড০ অনন্ত কুমাৰ দত্তকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ বিৰাজ দত্তই।

## লেখিকা সংস্থাৰ ডিব্ৰুগড় শাখাৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন